■ e-paper : www.asomiyapratidin.in
e-mail : ■ asomiyapratidin@yahoo.co.in

# অসমীয়া প্ৰতিদিন

চিটিজেনছ ফৰ পীচ এণ্ড জাষ্টিচৰ সংবাদমেল

ASOMIYA PRATIDIN 01/7/19

# নিৰপেক্ষ নহয় বিদেশী ন্যায়াধিকৰণ ঃ অধিবক্তা মিহিৰ দেশাই




## মানৱাধিকাৰ কৰ্মী তিষ্টা চেটলবাদৰো অসন্তুষ্টি

**প্ৰতিদিন সংবাদ, গুৱাহাটী, ৩০ জুন ঃ** অসমৰ বিদেশী ন্যায়াধিকৰণৰ বিৰুদ্ধে তীব্ৰ বিষোদগাৰ ব্যক্ত কৰিছে দেশৰ মানৱাধিকাৰ কৰ্মী তথা একাংশ অধিবক্তাই। 'চিটিজেনছ ফৰ জাষ্টিচ এণ্ড পীচ' নামৰ সংস্থাটোৰ বেনাৰত অসমৰ বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰা উচ্চতম ন্যায়ালয়ৰ অধিবক্তা মিহিৰ দেশাই, সংস্থাটোৰ সম্পাদক তথা মানৱাধিকাৰ কৰ্মী ■ ১৪ পৃষ্ঠাত

# নিৰপেক্ষ নহয় বিদেশী ন্যায়াধিকৰণ

■ *পঞ্চম পৃষ্ঠাৰ পৰা* তিষ্টা চেটলবাদে আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি কয় যে ৰাজ্যখনৰ বিদেশী ন্যায়াধিকৰণসমূহ নিৰপেক্ষ নহয়। যোৱা ২৭ জুনৰ পৰা উক্ত সংস্থাটোৰ বেনাৰত মিহিৰ দেশাই, উচ্চতম ন্যায়ালয়ৰ আন এজন অধিবক্তা বৃন্দা গ্ৰোভাৰ, জ্যেষ্ঠ সাংবাদিক কল্পনা শৰ্মা, মানৱাধিকাৰ কৰ্মী তিষ্টা চেটলবাদে নগাঁও, মৰিগাঁও, দৰং, চিৰাঙকে ধৰি কেইবাখনো জিলা পৰিভ্ৰমণ কৰি বিদেশীৰ সন্দেহত নিৰ্যাতিত বিভিন্ন লোকৰ সৈতে মত বিনিময় কৰিছে। আজি এই প্ৰতিনিধি দলটোৱে গুৱাহাটীৰ হাতীগাঁৱৰ হোটেল গ্ৰেণ্ড মেজেষ্টিত এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত জ্যেষ্ঠ অধিবক্তা মিহিৰ দেশায়ে কয় যে বিদেশী ন্যায়াধিকৰণৰ নিৰপেক্ষতাৰ ওপৰত প্ৰশ্ন উঠিছে। এজন লোকৰ ভৱিষ্যৎ নিৰূপণ কৰিবলগীয়া ন্যায়াধিকৰণসমূহত স্বচ্ছতা অনাটো প্ৰয়োজন। ন্যায়াধিকৰণত অভিজ্ঞ ব্যক্তিক নিয়োগ কৰিব লাগে। দৰাচলতে ন্যায়িক বিষয়াক এনে দায়িত্ব দিয়া উচিত। কিন্তু অতি আক্ষেপৰ বিষয় যে অসমত বিদেশী ন্যায়াধিকৰণক হেনো টাৰ্গেট দিয়া হয়। ফলত লৰালৰিৰ বাবে এই ন্যায়াধিকৰণসমূহে নাগৰিকৰ অধিকাৰ খৰ্ব কৰিছে। সংবাদমেলত মানৱাধিকাৰ কৰ্মী তিষ্টা চেটলবাদে বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি লাভ কৰা অভিজ্ঞতাৰ আধাৰত কয় যে বিদেশী ন্যায়াধিকৰণৰ কাম মুঠেও সন্তোষজনক নহয়। তেওঁলোকৰ স্পষ্ট মত— কাৰ্যপালিকাই নিৰ্ধাৰণ কৰি দিয়া টাৰ্গেট পূৰণৰ বাবে বিদেশী ন্যায়াধিকৰণে একোজন লোকৰ ওপৰত প্ৰচুৰ নিৰ্যাতন জাপি দিছে। ন্যায়াধিকৰণক নেতৃত্ব দিয়া ব্যক্তিসকলৰ এক ন্যায়িক দৃষ্টিভংগী, ন্যায়িক প্ৰশিক্ষণ থকা উচিত। তদুপৰি ন্যায়াধিকৰণৰ শুনানি মুকলিকৈ আৰু স্বচ্ছতাৰে সম্পন্ন হ'ব লাগে বুলিও তেওঁলোকে মতপোষণ কৰে। চিটিজেনছ ফৰ জাষ্টিচ এণ্ড পীচৰ অসমৰ সমন্বয়ক জমছেৰ আলীয়ে আজিৰ সংবাদমেলৰ আঁত ধৰে। সংগঠনটোৰ অসমৰ কৰ্মকৰ্তাসকলে এই প্ৰতিনিধি দলটোক বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰা তথা নিৰ্যাতিত ব্যক্তিসকলক সাক্ষাৎ কৰাত সহায় আগবঢ়ায়।